দমদমা মহাবিদ্যালয়
ডাকঘৰ ঃ কুলহাটি
সুচাংক ঃ ৭৮১১০৪
কামৰূপ, অসম

**Damdama College**
P.O. -Kulhati
Pin - 781104
Dist. - Kamrup, Assam

প্ৰসংগ ঃ গৱেষণা পত্ৰিকা (Social currents) প্ৰকাশ

তাৰিখ ঃ ০৪-০৬-২০২০

# বিষয় ঃ কভিড - ১৯ অতিমাৰী ঃ সমাজ, সংস্কৃতি আৰু জাতিত প্ৰভাৱ

**(Covid-19 Pandemic: What this means for a Society, Culture and Nation)**

মাননীয় মহোদয়,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক জনাবলৈ পাই আনন্দিত, দমদমা মহাবিদ্যালয়ৰ গৱেষণা কোষৰ উদ্যোগত **'Social currents'** নামে এখন ছমহীয়া গৱেষণামূলক দ্বি-ভাষিক (ইংৰাজী আৰু অসমীয়া) আলোচনী প্ৰকাশৰ আয়োজন কৰা হৈছে। অক্টোবৰত প্ৰকাশ হ'বলগীয়া প্ৰস্তাৱনা সংখ্যাটোৰ বাবে ভিন্ন শিক্ষায়তনিক বিভাগ, অধ্যাপনা-গৱেষণাৰ লগত জড়িত শিক্ষক/অধ্যাপক আৰু অতিমাৰীৰ ক্ষেত্ৰত ভিন্নভাৱে সক্ৰিয় ব্যক্তিৰ পৰা ২১ আগষ্টৰ আগেয়ে প্ৰায় ৪০০০ শব্দৰে **(APA style)**ত নিম্নোক্ত যিকোনো এটা বিষয়ত প্ৰবন্ধ পঠিয়াবলৈ এই পত্ৰৰ দ্বাৰা অনুৰোধ জনালো। তিনিটা সূচক শব্দ **(Key-word)** সহ ডেৰশ শব্দৰ সংক্ষিপ্তসাৰ **(Abstract)** পঠিওৱা বাঞ্চনীয়। অসমীয়াত লিখাসকলে ৰামধেনু ফন্‌টৰ ব্যৱহাৰ কৰিব।

কৰ'না অতিমাৰীৰ গ্ৰাসে সমাজ-জাতি-দেশ-বিশ্বজুৰি, চিকিৎসা বিজ্ঞান-প্ৰযুক্তি-আৰ্থিক-ৰাষ্ট্ৰীয়-সামাজিক-শৈক্ষিক-সাংস্কৃতিক-প্ৰাকৃতিক-মনস্তাত্বিক-গণ-মাধ্যম আদি বিভিন্ন দিশক কিদৰে প্ৰভাৱিত কৰিছে সেই দিশসমূহৰ গুৰুত্ব উপলব্ধি কৰি সময়ৰ দায়বদ্ধতাৰ দাবীত নিম্নোক্ত বিষয়ক লৈ আলোচনীখনৰ প্ৰথম সংখ্যাটি প্ৰকাশৰ আয়োজন কৰা হৈছে। আশাকৰো যথাসময়ত নিজৰ সম্পূৰ্ণ পৰিচিতি (ঠিকনা) সহ লেখনি পঠিয়াই আমাক উৎসাহিত কৰিব।

**বিষয় সমূহ ঃ**

১. প্ৰব্ৰজন আৰু ভাৰতৰ মহানগৰ (Migration and the making of Indian Cities)
২. পৰিবেশ, সমাজ আৰু বিশ্বৰ ভৱিষ্যত (Enviornment, Society and the Future of the planet)
৩. প্ৰদৰ্শন, গণ-মাধ্যম আৰু পৰ্য্যবেক্ষণ (Spectacle, Media and Surveillance)
৪. ৰাষ্ট্ৰীয় শ্ৰমিক আৰু পুঁজিবাদ (Government Labour and promise of Capital)
৫. সামাজিক দূৰত্ব আৰু কোৱাৰেণ্টাইন কেন্দ্ৰ (Social distancing and quarantine centers)
৬. ভৱিষ্যত ভাৰতত গৱেষণা আৰু উন্নয়নৰ অত্যাধিক আৱশ্যকীয়তা আছেনে? (Does India need more R & D for the future?)
৭. কভিড দুৰ্ঘটনাৰ জগৰীয়া কোন? (Who is to be blamed for the Covid crisis?)

**ধন্যবাদেৰে —**

**ড° সৌৰভ সেনগুপ্ত**
**সমন্বয়ক ঃ আভ্যন্তৰীণ গুণগত-মান নিশ্চয়তা কোষ**
(Convenor, IQAC, Damdama College)
email address:
1. damdamacollege 2011@gmail.com
2. sabitrysaikia@gmail.com

**ড° সাবিত্ৰী শইকীয়া**
**ড° ববিতা কলিতা**
**সমন্বয়ক ঃ দমদমা মহাবিদ্যালয় গৱেষণা কোষ**
(Convenor, Research cell)

(Please visit www.damdamacollege.edu.in)